**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

Headline

১। দেশৰ অতিৰিক্ত ২ কোটি পৰিয়ালক গৃহ প্ৰদানৰ লক্ষ্যৰে পি এম এ ৱাই জি আঁচনিৰ ম্যাদ আৰু ৫ বছৰলৈ বৃদ্ধি। দ্বিতীয় পৰ্যায়ত এই আঁচনিৰ অধীনত অসমলৈ ১ লাখ ৭১ হাজাৰ ৫৯৩ টা নতুন গৃহ আৱণ্টন।

২। নিযুক্তি পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰিলে অসম লোক পৰীক্ষা আইন, ২০২৪-ৰ অধীনত ১০ বছৰ পৰ্যন্ত কাৰাদণ্ডৰ লগতে ১০ কোটি টকা জৰিমণা বিহাৰ ব্যৱস্থা।

৩। বি টি আৰত শান্তি স্থাপনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি আকাশবাণীৰ সৈতে হোৱা এটি সাক্ষাৎকাৰত বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৰ মত প্ৰকাশ।

আৰু

৪। চীনত অনুষ্ঠিত পুৰুষৰ এছীয় চেম্পিয়নশ্বিপ হকী প্ৰতিযোগিতাত মালয়েছিয়াক পৰাস্ত কৰি ভাৰতৰ ছেমি ফাইনেলত প্ৰৱেশ।

০০০০

কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত ২ কোটি পৰিয়ালক গৃহ প্ৰদানৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণ আঁচনিখন আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৫ ছেপ্তেম্বৰত ঝাৰখণ্ডৰ জামছেদপুৰত দ্বিতীয় পৰ্যায়ৰ পি এম এ ৱাই জি আঁচনি মুকলি কৰিব। দেশৰ ১০ লাখ হিতাধিকাৰীক প্ৰথম কিস্তিৰ ধন প্ৰদানৰ লগতে ২৬ লাখ সম্পূৰ্ণ হোৱা পি এম এ ৱাই জিৰ গৃহ প্ৰৱেশ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশ ল'ব। এই আঁচনিৰ জৰিয়তে অসমত ১ লাখ ৭১ হাজাৰ ৫৯৩ টা নতুন গৃহ আৱণ্টন কৰা হৈছে। আবণ্টিত গৃহৰ বাবে ৰাজ্যৰ হিতাধিকাৰীসকলে ১৫ ছেপ্তেম্বৰত প্ৰথম কিস্তিৰ ধন লাভ কৰিব। দেশৰ অন্য প্ৰান্তৰ লগতে ৰাজ্যতো ১ লাখৰো অধিক সম্পূৰ্ণ হোৱা পি এম এ ৱাই জি ঘৰৰ বাবে গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হ'ব। উল্লেখযোগ্য যে অসমত যোৱা ৩ বছৰৰ ভিতৰত ১৫ লাখ ১৩ হাজাৰৰো অধিক গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। পি এম এ ৱাই জিৰ বাবে হিতাধিকাৰীসকলক স্থায়ী অপেক্ষা তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে নতুন সমীক্ষা আৰম্ভ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে নতুন আবাস প্লাছ জৰীপৰো শুভাৰম্ভ কৰিব।

০০০০০০০

নিযুক্তি পৰীক্ষাত অসৎ উপায় প্ৰতিৰোধ তথা স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়া নিশ্চিতকৰণৰ অৰ্থে অসম চৰকাৰে অসম লোক পৰীক্ষা (নিযুক্তি প্ৰক্ৰিয়াত অসৎ উপায় প্ৰতিৰোধী ব্যৱস্থা) আইন ২০২৪ গ্ৰহণ কৰিছে। এই আইনৰ উদ্দেশ্য হৈছে নিয়োগৰ বাবে অনুষ্ঠিত ৰাজ্য চৰকাৰ, স্বায়ত্ত শাসিত সংস্থা অথবা কৰ্তৃপক্ষ, পৰিষদ অথবা নিগমৰ অধীনৰ পৰীক্ষাত স্বচ্ছতা নিশ্চিতকৰণ, পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল কৰা, নিজৰ লগত ৰখা, বিক্ৰী কৰা, সমাধান কৰা, প্ৰশ্নকাকত খোলা আৰু পৰীক্ষাৰ সময়ত সহায় কৰা আদিৰ দৰে অসৎ উপায় নিষিদ্ধকৰণ, পৰীক্ষা প্ৰক্ৰিয়া পৰিচালনাৰ ক্ষেত্ৰত স্বচ্ছতা তথা নিৰপেক্ষতাৰ প্ৰতিশ্ৰুতিৰ লগতে প্ৰশ্নকাকত সম্পৰ্কীয় গোপন তথ্যৰ প্ৰচাৰ প্ৰতিৰোধ কৰা। এই আইন অমান্য কৰা পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। পৰীক্ষাত নকল কাৰ্যত লিপ্ত পৰিক্ষাৰ্থীসকলক তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড বিহাৰ লগতে ন্যূনতম ১ লাখ টকা জৰিমনা বিহা হ'ব। জৰিমণা আদায় দিব নোৱাৰিলে ৯ মাহ কাৰাদণ্ড বিহা হ'ব। কুচক্ৰ আৰু নকল কাৰ্যত লিপ্ত পৰীক্ষাৰ্থীসকলক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহা হ'ব। নকল কাৰ্যত লিপ্ত বুলি প্ৰমাণিত হ'লে ভৱিষ্যতে পৰীক্ষাৰ্থীয়ে দুবছৰৰ বাবে কোনো নিযুক্তি পৰীক্ষা দিব নোৱাৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, কুচক্ৰ আৰু নকল

কাৰ্যত জড়িত পৰীক্ষকক ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ কোটি টকা পৰ্যন্ত জৰিমনা বিহাৰ লগতে পৰীক্ষণ কৰ্তৃপক্ষৰ সৈতে কুচক্ৰত জড়িত থকাসকলৰ অসৎ পন্থাৰে আৰ্জিত সা-সম্পত্তি বাজেয়াপ্তকৰণ কৰা হ'ব। ঠিক সেইদৰে পৰীক্ষাৰ ব্যৱস্থাপক যদি দোষী সাব্যস্ত হয় তেতিয়া হ'লে বিশেষ আদালতে নিৰ্ধাৰণ কৰি দিয়া অনুসৰি পৰীক্ষা বিষয়ক সকলো খৰচ সংশ্লিষ্ট সন্থাটোৰে বহন কৰাৰ লগতে ইয়াক নিষিদ্ধ ঘোষণা কৰা হ'ব।

ৰাজ্যিক প্ৰত্যক্ষ নিযুক্তি আয়োগৰ দ্বাৰা অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত খানাপাৰাত অনুষ্ঠিত সংবাদমেলত আয়োগৰ অধ্যক্ষ অজয় তিৱাৰীয়ে কয় যে অহা ১৫ ছেপ্তেম্বৰত হ'বলগীয়া এই পৰীক্ষা অসমৰ ইতিহাসৰ আটাইতকৈ ডাঙৰ নিযুক্তি পৰীক্ষা। এই পৰীক্ষাত ২৮ খন জিলাৰ দুহেজাৰ ৩০৫ টা কেন্দ্ৰত মুঠ ১১ লাখ ২৩ হাজাৰ ২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা কেন্দ্ৰসমূহৰ ভিতৰত ৪২৯ টা কেন্দ্ৰ স্পৰ্শকাতৰ। প্ৰশ্নকাকতসমূহ ৰখাৰ বাবে ষ্ট্ৰংৰুমৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। পৰীক্ষা কেন্দ্ৰসমূহৰ লগতে ষ্ট্ৰং ৰুমত চি চি টি ভি কেমেৰা, আৰক্ষী পহৰাৰ ব্যৱস্থা কৰা হৈছে। চি চি টি ভি ব্যৱস্থা নথকা কেন্দ্ৰত ভিডিঅ'গ্ৰাফী কৰা হ'ব। ইয়াৰ লগতে পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধ্যৰ ভিতৰত অন্য লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলৰ যাতায়াতত যাতে কোনোধৰণৰ অসুবিধা নহয় তাৰ বাবে বাহনৰ সুচল ব্যৱস্থা কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৰে কৰ্তৃপক্ষই প্ৰাৰ্থীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ১২ খন অতিৰিক্ত ৰে'লৰ ব্যৱস্থা কৰিব।

০০০০০০০

গুৱাহাটী মহানগৰীত দিছপুৰৰ জনতা ভৱনত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি অসম ৰাইচ মিলাৰ এছ'চিয়েচনৰ প্ৰতিনিধিৰ সৈতে এখন বৈঠকত অংশ লয়। বৈঠকত অসম ৰাইচ মিলাৰ এছ'চিয়েচনৰ প্ৰতিনিধিসকলে তেওঁলোকে সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সম্বলিত আবেদন মন্ত্ৰীগৰাকীৰ হাতত অৰ্পণ কৰাৰ লগতে সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ এই সমস্যাসমূহ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনা কৰা হ'ব বুলি আশ্বাস দিয়াৰ লগতে বিভাগীয়ভাৱে পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে জাৰি কৰা এখন নিৰ্দেশনা অনুসৰি সঞ্চালক পৰ্যায়ৰ কেইবাগৰাকীও প্ৰশাসনিক বিষয়াৰ ৰদ-বদল কৰা হৈছে। সেই অনুসৰি অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব তথা সঞ্চালক, ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ অতিৰিক্ত সঞ্চালক মিনাক্ষী দাস নাথক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ সচিব আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অতিৰিক্ত মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। ইপিনে, মহিলা আৰু শিশু বিকাশ বিভাগৰ যুটীয়া সচিব গৌৰীশংকৰ শৰ্মাক মহিলা আৰু শিশু বিকাশ বিভাগৰ সঞ্চালক তথা পোষণ অভিযানৰ ৰাজ্যিক প্ৰকল্প সঞ্চালক পদলৈ বদলি কৰা হৈছে। একেদৰে মহিলা আৰু শিশু বিকাশ বিভাগৰ সঞ্চালক তথা পোষণ অভিযানৰ ৰাজ্যিক প্ৰকল্প সঞ্চালক আৰু অসম ৰাজ্যিক যুৱ আয়োগৰ সচিব ৰাহুল চন্দ্ৰ দাসক ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক আৰু অসম ৰাজ্যিক যুৱ আয়োগৰ সচিব হিচাপে অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

০০০০০০০০

অসম চৰকাৰে ইছৰ'ৰ সহযোগত ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক ভাৰতবৰ্ষই মহাকাশলৈ প্ৰেৰণ কৰা কৃত্ৰিম উপগ্ৰহসমূহৰ বিষয়ে অৱগত কৰোৱাৰ লক্ষ্যৰে এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। SPACE ON WHEELS শীৰ্ষক এই পদক্ষেপৰ বিশেষ বাহনখন আজি জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত

হয়। জাগীৰোডৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে বাহনখনত উপলব্ধ কৃত্ৰিম উপগ্ৰহসমূহ অধ্যয়ন কৰাৰ সুযোগ লাভ কৰে। চৰকাৰৰ এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলক মহাকাশ সম্বন্ধে আগ্ৰহী কৰাৰ লগতে ভৱিষ্যতে এগৰাকী মহাকাশ বিজ্ঞানী হিচাপে নিজকে গঢ়ি তুলিবলৈ প্ৰেৰণা লাভ কৰিব বুলি ৰাজ্যৰ শিক্ষিত সমাজে আশা প্ৰকাশ কৰিছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান অহা ১ অক্টোবৰৰ পৰা পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। জীপ ছাফাৰীৰে আৰম্ভ হ'বলগীয়া চলিত পৰ্যটন বৰ্ষত প্ৰথমবাৰৰ বাবে পৰ্যটকসকলে বুঢ়াপাহাৰ বনাঞ্চলখন উপভোগ কৰিবলৈ পূৰ্বতকৈ অধিক সময় লাভ কৰিব। পৰ্যটকসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ কঁহৰা, বুঢ়াপাহাৰ আৰু বাগৰি বনাঞ্চলৰ কিছু অংশ উপভোগ কৰিব পাৰিব বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। পৰ্যটন বৰ্ষটোত কঁহৰা বনাঞ্চলত মিহিমুখৰ পৰা ডাফলাং হৈ ভৈচামাৰীলৈ পৰ্যটকে জীপ ছাফাৰী কৰিব পাৰিব। আনহাতে বাগৰি বনাঞ্চলত বিমলী তিনিআলিৰ পৰা ডোঙা হৈ জীপ ছাফাৰীৰ অনুমতি প্ৰদান কৰাৰ লগতে বুঢ়াপাহাৰ বনাঞ্চলত মুখ্য কাৰ্যালয়ৰ পৰা ডিফলু এপিচিলৈকে পৰ্যটকসকলে জীপ ছাফাৰী কৰিব পাৰিব। কাজিৰঙা পৰ্যটনৰ আন এক উল্লেখনীয় সমল নদী পৰ্যটনো ১ অক্টোবৰতে উদ্যান কৰ্তৃপক্ষই মুকলি কৰিব। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনৰ পাছত উদ্যান কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সংখ্যা বৃদ্ধি হ'ব বুলি আশা প্ৰকাশ কৰিছে। উদ্যানখনৰ সঞ্চালিকাই জানিবলৈ দিয়া অনুসৰি বাট-পথৰ মেৰামতি হৈ থকাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন আংশিকভাৱে মুকলি কৰা হ'ব। অহা ১ নৱেম্বৰত অন্যতম আকৰ্ষণ হাতী ছাফাৰীৰে ৰাষ্ট্ৰীয় উদ্যানখন পূৰ্ণ পৰ্যায়ত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব।

০০০০০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমোদ বড়োৱে সমগ্ৰ এলেকাটোত শান্তি স্থাপনৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি মত প্ৰকাশ কৰিছে। ২০২০ চনত পৰিষদীয় এলেকাৰ শাসনৰ দায়িত্বলৈ অহাৰ পাছত তেওঁৰ চৰকাৰে শান্ত, সেউজ আৰু স্মাৰ্ট বি টি আৰ গঠনৰ উদ্দেশ্যে ভালেমান নীতি নিৰ্ধাৰণ কৰি পৰিকল্পনা গ্ৰহণ কৰিছিল। অঞ্চলটোত প্ৰাকৃতিক পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ ৰক্ষাৰ জৰিয়তে অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ যোগেদি ৩৫ খন ধ্বজাবাহী আঁচনিৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত বিটিআৰ প্ৰধানগৰাকীয়ে জানিবলৈ দিয়ে। ইপিনে, সেউজ অভিযানৰ আৰম্ভণিৰে ৰাইমানা ৰাষ্ট্ৰীয় উদ্যানৰ ৪৪ বৰ্গ কিলোমিটাৰ এলেকা পুনৰ বনানিকৰণৰ যোগেদি উদ্যানখনক আকৌ ৰাষ্ট্ৰীয় উদ্যান হিচাপে গঢ়ি তুলিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ প্ৰকাশ কৰে। এই সেউজ অভিযানৰ অধীনতে সমগ্ৰ বি টি আৰ এলেকাত প্লাষ্টিকৰ পৰা হোৱা সকলোধৰণৰ প্ৰদূষণ ৰোধৰ বাবে এটা বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তদুপৰি খৰালি যাতে মাটিৰ তলৰ পানীৰ স্তৰ অধিক তললৈ নামি যাব নোৱাৰে, তাৰবাবে পানীৰ উৎস বা বৰষুণৰ পানীৰ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰি পানীৰ স্তৰ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ কয়। সু-প্ৰশাসনৰ বাবে তৃণমূল পৰ্যায়ৰ পৰা সচিবালয় পৰ্যন্ত সকলো কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে স্মাৰ্ট বি টি আৰ অভিযান আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি এইক্ষেত্ৰত সফল হ'বৰ বাবে সময়ে সময়ে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হয় বুলি বড়োৱে প্ৰকাশ কৰে। বড়োলেণ্ড চায়েন্স মিছন, য়ুথ এমপ্লইমেণ্ট মিছন আদি আঁচনিৰ জৰিয়তে পৰিষদীয় এলেকাৰ যুৱক-যুৱতীসকলৰ বিভিন্ন ক্ষেত্ৰত দক্ষতা বৃদ্ধিৰ বাবে ২৫ খন মহাবিদ্যালয়ত বিনামূলীয়াকৈ প্ৰশিক্ষণ আৰু কোচিঙৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰমোদ বড়োৱে জানিবলৈ দিয়ে।

০০০০০০০

বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অনলাইন ট্ৰেডিঙত জড়িত লোকসকলক অসম চৰকাৰৰ ২০১৩ চনৰ দা আছাম প্ৰটেকচন অব্ ইণ্টাৰেষ্ট অব্ ডিপ'জিটৰ আইনৰ জৰিয়তে দোষীক শাস্তি প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সমগ্ৰ বিষয়টো গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ দ্বাৰা তদন্ত কৰিবলৈ তেওঁ সংবাদমেল যোগে ৰাজ্য চৰকাৰক আহ্বান জনায়। ইয়াৰ লগতে বিধি বলৱৎকাৰী সঞ্চালকালয় আৰু কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা - চি বি আইৰ জৰিয়তে তদন্ত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আজি বন শ্বহীদ দিৱস অনুষ্ঠিত হয়। অনুষ্ঠানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী সুৰক্ষাত নিয়োজিত হৈ প্ৰাণ আহুতি দিয়া ৫৬ গৰাকী বন শ্বহীদৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শ্বহীদৰ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে, বন সুৰক্ষা বাবে প্ৰাণ আহুতি দিয়া বনকৰ্মীসকলৰ স্মৃতিত প্ৰতিবছৰে ১১ ছেপ্তেম্বৰ দিনটো বন শ্বহীদ দিৱস হিচাপে উদযাপন কৰি অহা হৈছে।

০০০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান চৌহদত এজন ছাত্ৰৰ মৃত্যুৰ ঘটনাক প্ৰতিষ্ঠানটোৱে দুৰ্ভাগ্যজনক আখ্যা দি ছাত্ৰসমাজৰ উদ্বেগৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰিছে। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মংগল আৰু সকলোৰে বাবে নিৰাপদ পৰিৱেশ গঢ়ি তোলাটোৱেই অগ্ৰাধিকাৰৰ বিষয় বুলি প্ৰতিষ্ঠানখনে মত প্ৰকাশ কৰিছে। আই আই টি গুৱাহাটীয়ে শিক্ষাৰ্থীসকলৰ সমস্যাসমূহ গুৰুত্ব সহকাৰে লৈছে বুলিও উল্লেখ কৰে। সঞ্চালকে কালি প্ৰতিগৰাকী শিক্ষাৰ্থীৰ সৈতে কেইবাঘণ্টাও ধৰি তেওঁলোকৰ সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। নতুন সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত তেওঁ যথা শীঘ্ৰেই ছাত্ৰ-ছাত্ৰীসকলৰ সমস্যাসমূহ সমাধান কৰি চৌহদত শিক্ষাৰ্থীসকলৰ নিৰাপত্তাৰ নিশ্চিতি দিয়ে। ঘটনা সন্দৰ্ভত প্ৰতিষ্ঠানখনৰ কৰ্তৃপক্ষলৈ ডীনে ইতিমধ্যে পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি সঞ্চালকগৰাকীয়ে কয় যে, এই সন্দৰ্ভত আলোচনা কৰি সোনকালে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০০

কেন্দ্ৰীয় বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি জ্যোতি চিত্ৰবনৰ চৌহদত গছপুলি ৰোপণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানমৰ্মে অব্যাহত থকা 'এক পেড় মা কে নাম' অভিযানৰ অংশ হিচাপে জ্যোতি চিত্ৰবনৰ প্ৰাক্তন অধ্যক্ষগৰাকীয়ে এই কাৰ্যসূচীত অংশ লয়।

০০০০০০০

————গোলাঘাট আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে চলোৱা অভিযানত আজি থৰামুখ অঞ্চলত জুৰীয়া দলঙৰ পৰা এগৰাকী মহিলাসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। লোককেইজনৰ পৰা প্ৰায় ৯৩ গ্ৰাম হেৰ'ইনৰ লগতে নগদ ৮১ হাজাৰ টকা আৰু দুখন মটৰ চাইকেল জব্দ কৰা হয়।

০০০০০০০

যোৰহাট জিলাৰ বিভিন্ন স্থানত অসম চৰকাৰৰ এইডছ কন্ট্ৰল ছ'চাইটি আৰু যোৰহাট জিলা প্ৰশাসনৰ হৈ জিলা এইডছ নিয়ন্ত্ৰণ বিভাগৰ সৌজন্যত আজি এইডছ আৰু মাদক দ্ৰব্য বিৰোধী পথ সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ বিশেষ পৰামৰ্শদাতাই এইডছ ৰোগ সংক্ৰমণ, প্ৰতিৰোধ আৰু এই ৰোগৰ ভয়াৱহতাৰ বিষয়ে বাহনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। সজাগতা সভাৰ লগত সংগতি ৰাখি বাহনা অঞ্চলৰ বুধবৰীয়া সপ্তাহিক বজাৰ আৰু নিমাতী কমলাবাৰী ঘাটতো এইডছ

আৰু মাদক দ্ৰব্যৰ অপকাৰিতা সন্দৰ্ভত দৃশ্য-শ্ৰব্য মাধ্যমেৰে উপস্থিত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

০০০০০০০০

উজনি মাজুলীৰ ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনা মাজুলীৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। আজি অনুষ্ঠিত মুকলি সভাত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী ডা০ ৰণোজ পেগুৰ লগতে কেইবাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

ইপিনে মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি কমলাবাৰী কৃষি চক্ৰৰ অন্তৰ্গত ভকতচাপৰিৰ জামুগুৰি প্ৰাথমিক বিদ্যালয়ত পাৰ্থেনিয়াম অপতৃণ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়।

০০০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰথমগৰাকী মুখ্য সাংগঠনিক সম্পাদক আছুৰ প্ৰাক্তন সীমান্ত সমন্বয়ক তথা দেশী জনগোষ্ঠীয় জাতীয় সংসদৰ সভাপতি ইনামুল হকৰ বিয়োগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। হকৰ বিয়োগ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছে। উল্লেখযোগ্য যে আজি পুৱা চিকিৎসাধীন অৱস্থাত ইনামুল হকৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। প্ৰাক্তন ছাত্ৰ নেতাগৰাকীৰ মৃত্যুত ধুবুৰী জিলাত শোকৰ ছাঁ পৰিছে।

০০০০০০০

চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছীয় চেম্পিয়নশ্বিপ হকী প্ৰতিযোগিতাত আজি ভাৰতে মালয়েছিয়াক ৮-১ গলত পৰাস্ত কৰি ছেমি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। খেলখনত ভাৰতৰ হৈ ৰাজকুমাৰ পালে তিনিটা আৰু আৰাইজিত সিঙ হুণ্ডালে দুটাকৈ গল দিয়ে। আনহাতে যুগৰাজ সিঙ, হৰমনপ্ৰীত সিং আৰু উত্তম সিঙে এটাকৈ গল দিয়ে। হৰমনপ্ৰীত সিং নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি ৯ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে। প্ৰতিযোগিতাৰ ৰাউণ্ড ৰবীন পৰ্যায়ৰ শীৰ্ষৰ চাৰিটা দলৰ মাজত ১৬ ছেপ্তেম্বৰত ছেমি ফাইনেল আৰু ১৭ ছেপ্তেম্বৰত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**